অসম বিধান সভা

তৰাযুক্ত প্ৰশ্ন নং : ১০৭

উত্তৰ দানৰ তাৰিখ : ১৩/07/২০২৬

*বিষয় :* **শুৱালকুছিৰ তাঁতশিল্প আৰু শিপিনীসকলৰ উন্নয়ন সম্পৰ্কত ।**

বিধায়কৰ নাম- শ্ৰী প্ৰকাশ চন্দ্ৰ দাস :

**প্ৰশ্ন**

মাননীয় হস্ততাঁত বস্ত্ৰ আৰু ৰেচম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বিগত ২০ বছৰত শুৱালকুছিৰ তাঁত শিল্প আৰু শিপিনীসকলৰ উন্নয়নৰ বাবে কি কি আঁচনি গ্ৰহণ কৰা হৈছে?

(খ) প্ৰতিটো বৰ্ষতে কিমানজন শিপিনী উপকৃত হৈছে?

(গ) এই সময়ছোৱাত তাঁত শিল্পৰ উৎপাদন আৰু ৰপ্তানি কিমান বৃদ্ধি বা হ্ৰাস পাইছে?

**উত্তৰ**

মাননীয় হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম বিভাগৰ মন্ত্ৰী শ্ৰীযুত বিশ্বজিৎ দৈমাৰী মহোদয়ে উত্তৰ দিব:

**(ক)**: বিগত ২০ বছৰত ৰাজ্য চৰকাৰ, ভাৰত চৰকাৰ আৰু বিভিন্ন প্ৰতিষ্ঠানৰ জৰিয়তে শুৱালকুছিৰ তাঁতশিল্প আৰু শিপিনীসকলৰ উন্নয়নৰ বাবে তলত উল্লেখিত আঁচনি সমূহ গ্ৰহণ কৰা হৈছে—

1. **স্বনিৰ্ভৰ নাৰী আঁচনি** ।
2. অসম চৰকাৰৰ ৰেচম বিভাগৰ অধীনত **শুৱালকুছি পাট-সূতা ভঁৰাল আঁচনি** (ARTFED-ৰ জৰিয়তে ২০১৮-১৯ বৰ্ষৰ পৰা ৰূপায়িত)।
3. মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনি – **"অসম বিকাশ যোজনা"** (সূতা বিতৰণ)।
4. কেন্দ্ৰীয় চৰকাৰৰ **উত্তৰ পূৰ্বাঞ্চল বস্ত্ৰ উন্নয়ন যোজনা** (NERTPS) ৰ অধীনত ক্লাষ্টাৰ বা থুপ উন্নয়ন প্ৰকল্প ।
5. **আয় বৃদ্ধি পদক্ষেপ** (Income Generation Intervention) আঁচনিৰ তাঁতশাল বিতৰণ।

6. কেন্দ্ৰীয় চৰকাৰৰ **ৰাষ্ট্ৰীয় হস্ততাঁত উন্নয়ন কাৰ্য্যসূচী** (NHDP)ৰ অধীনত শুৱালকুছি মেগাক্লাষ্টাৰ আঁচনি (বৰ্তমান ৰূপায়ণ হৈ আছে) ।
7. **শুৱালকুছি ইনষ্টিটিউট অফ ফেশ্বন টেকন'লজী** (Sualkuchi Institute of Fashion Technology) (SIFT)-ৰ জৰিয়তে ২০০৮-০৯ বৰ্ষৰ পৰা হস্ততাঁত, ফেশ্বন ডিজাইন, CAD, জেকাৰ্ড বয়ন, প্ৰাকৃতিক ৰং, PMKVY, PM Vishwakarma, SAMARTH আদি বিভিন্ন দক্ষতা উন্নয়ন, উৎপাদন উন্নয়ন, উদ্যোগিতা বিকাশ, ইণ্টাৰ্নশ্বিপ, প্ৰদৰ্শনী আৰু ফেশ্বন শ্ব কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে।

**(খ):** প্ৰতিটো বৰ্ষতে উপকৃত হোৱা শিপিনীৰ সংখ্যা **পৰিশিষ্ট ' ক'** ত দিয়া হ' ল ।

**(গ):** যোৱা ২০ বছৰে শুৱালকুছিৰ শিপিনীসকলৰ উৎপাদন বৃদ্ধিৰ বাবে বিভিন্ন ধৰণৰ আঁচনি ৰূপায়ণ কৰা হৈছে। উক্ত আঁচনিসমূহৰ জৰিয়তে যোৱা ২০ বছৰৰ ভিতৰত **শুৱালকুছি বস্ত্ৰ উৎপাদন ৩১.১% বৃদ্ধি হৈছে** । এই উৎপাদন বৃদ্ধিত সহায় হোৱাকৈ দুটা সূতাৰ ভড়াল চলাই থকা হৈছে যাৰ জৰিয়তে শিপিনীসকলক ৰেহাই মূল্যত মালবেৰী (পাট) সূতা যোগান ধৰা হৈছে। বৰ্তমানলৈ লাভান্বিত হোৱা শিপিনীৰ সংখ্যা **৩৬,৯৮৬** গৰাকী আৰু সৰ্বমুঠ **৬৭,৪৩,১২,৭৯৯.০০** (সাতষষ্ঠি কোটি তিয়াল্লিশ লাখ বাৰ হাজাৰ সাতশ নিৰানব্বৈ) টকাৰ **১,২৫,৯৩৫.৬৮৭**(এক লাখ পঁচিশ হাজাৰ ন শ পঁয়ত্ৰিশ দশমিক ছয় আঠ সাত) কেজি সূতা হিতাধিকাৰী সকলক যোগান ধৰা হৈছে ।

শুৱালকুছি বস্ত্ৰ উৎপাদন বৃদ্ধিৰ বিপৰীতে **ৰপ্তানিৰ পৰিমাণ ৪.২১% ক্ৰমান্নয়ে হ্ৰাস** পোৱা দেখা গৈছে।

***********************************

ওপৰোক্ত প্ৰশ্নোত্তৰ লগতে সামঞ্জস্য **পৰিশিষ্ট** "NeVA portal " **ত** আপলোড কৰা হৈছে।

**<u>পৰিশিষ্ট ' ক'</u>**

<table>
<tr><th>ক্ৰমিক নং</th><th>বৰ্ষ</th><th>আঁচনিৰ নাম</th><th>প্ৰতিটো বৰ্ষতে কিমানগৰাকী শিপিনী উপকৃত হৈছে</th></tr>
<tr><td>১</td><td>২০০৬-০৭</td><td rowspan="8">নাই</td><td rowspan="8">নাই</td></tr>
<tr><td>২</td><td>২০০৭-০৮</td></tr>
<tr><td>৩</td><td>২০০৮-০৯</td></tr>
<tr><td>৪</td><td>২০০৯-১০</td></tr>
<tr><td>৫</td><td>২০১০-১১</td></tr>
<tr><td>৬</td><td>২০১১-১২</td></tr>
<tr><td>৭</td><td>২০১২-১৩</td></tr>
<tr><td>৮</td><td>২০১৩-১৪</td></tr>
<tr><td rowspan="2">৯</td><td rowspan="2">২০১৪-১৫</td><td>(ক) মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনি – “ অসম বিকাশ যোজনা” (সূতা বিতৰণ)।</td><td>১০০</td></tr>
<tr><td>(খ) কেন্দ্ৰীয় চৰকাৰৰ উত্তৰ পূৰ্বাঞ্চল বস্ত্ৰ উন্নয়ন যোজনা (NERTPS) ৰ অধীনত ক্লাষ্টাৰ বা থুপ উন্নয়ন প্ৰকল্প।</td><td>১৬৫</td></tr>
<tr><td>১০</td><td>২০১৫-১৬</td><td>নাই</td><td>নাই</td></tr>
<tr><td>১১</td><td>২০১৬-১৭</td><td>নাই</td><td>নাই</td></tr>
<tr><td>১২</td><td>২০১৭-১৮</td><td>নাই</td><td>নাই</td></tr>
<tr><td>১৩</td><td>২০১৮-১৯</td><td>ARTFED-ৰ জৰিয়তে শুৱালকুছি পাট-সূতা ভঁৰাল আঁচনি</td><td>২০৯৩</td></tr>
<tr><td rowspan="2">১৪</td><td rowspan="2">২০১৯-২০</td><td>আয় বৃদ্ধি পদক্ষেপ (Income Generation Intervention) আঁচনিৰ তাঁতশাল বিতৰণ</td><td>৪০</td></tr>
<tr><td>ARTFED-ৰ জৰিয়তে শুৱালকুছি পাট-সূতা ভঁৰাল আঁচনি</td><td>৫৩২৫</td></tr>
<tr><td rowspan="2">১৫</td><td rowspan="2">২০২০-২১</td><td>আয় বৃদ্ধি পদক্ষেপ (Income Generation Intervention) আঁচনিৰ তাঁতশাল বিতৰণ</td><td>৫০</td></tr>
<tr><td>ARTFED-ৰ জৰিয়তে শুৱালকুছি পাট-সূতা ভঁৰাল আঁচনি</td><td>৭৬২৪</td></tr>
<tr><td>১৬</td><td>২০২১-২২</td><td>ARTFED-ৰ জৰিয়তে শুৱালকুছি পাট-সূতা ভঁৰাল আঁচনি</td><td>৮৮৭২</td></tr>
</table>

| | | | |
|---|---|---|---|
| ১৭ | ২০২২-২৩ | কেন্দ্ৰীয় চৰকাৰৰ ৰাষ্ট্ৰীয় তাঁতশিল্প উন্নয়ন কাৰ্য্যসূচী (NHDP)ৰ অধীনত শুৱালকুছি মেগাক্লাষ্টাৰ আঁচনি | শুৱালকুছি মেগা ক্লাষ্টাৰ আঁচনিৰ অধীনত মুঠ **১৩৬৮** গৰাকী শিপিনীলৈ তাতঁশাল সজুলি বিতৰনৰ প্ৰস্তুতি সম্পুৰ্ণ কৰা হৈছে আৰু অতি শীঘ্ৰে বিতৰণ প্ৰক্ৰিয়া আৰম্ভ কৰা হব। |
| | | ARTFED-ৰ জৰিয়তে শুৱালকুছি পাট-সূতা ভঁৰাল আঁচনি | ৬৪৫৬ |
| ১৮ | ২০২৩-২৪ | ARTFED-ৰ জৰিয়তে শুৱালকুছি পাট-সূতা ভঁৰাল আঁচনি | ২৮১১ |
| ১৯ | ২০২৪-২৫ | ARTFED-ৰ জৰিয়তে শুৱালকুছি পাট-সূতা ভঁৰাল আঁচনি | **১৭৬৩** |
| ২০ | ২০২৫-২৬ | ARTFED-ৰ জৰিয়তে শুৱালকুছি পাট-সূতা ভঁৰাল আঁচনি | **২০৪২** |
| ২১ | ২০২২-২০২৩ ৰ পৰা ২০২৫-২৬ | **স্বনিৰ্ভৰ নাৰী আঁচনি** | এই আঁচনিৰ অধীনত **শুৱালকুছিৰ মুঠ ৫,৫৫৪ গৰাকী শিপিনী পঞ্জীয়ন কৰা হৈছে, যাৰ ভিতৰত ২১১ গৰাকী মহিলাই ক্ৰয় প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিছে** |
| ২২ | ২০০৮-২০০৯ ৰ পৰা ২০২৫-২৬ | শুৱালকুছি ইনষ্টিটিউট অফ ফেশ্বন টেকন'লজী (Sualkuchi Institute of Fashion Technology) (SIFT) | ৬৮৫৬ |

**********************************